**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 09-08-2025 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***

বিশ্ববৰেণ্য শিল্পী ডঃ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীত কৃতজ্ঞ অসমবাসীয়ে আজি সুধাকণ্ঠক সোঁৱৰণ কৰিছে। মানৱতা আৰু সমন্বয়ৰ বাৰ্তাৰে বিশ্বৰ বুকুত সাঁচ ৰাখি থৈ যোৱা গণ শিল্পীগৰাকীৰ জন্মদিনত আজি শদিয়াৰ পৰা ধুবুৰীলৈ তেওঁৰ প্ৰতি শ্ৰদ্ধা জনোৱা হৈছে। অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আজি জালুকবাৰীৰ ভূপেন হাজৰিকা সমন্বয় তীৰ্থত স্মৃতি তৰ্পন আৰু সাংস্কৃতিক অনুষ্ঠানেৰে সুধাকণ্ঠৰ জন্ম শতবাৰ্ষিকীৰ উদ্বোধন কৰা হয়। অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য আৰু মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকে। মুখ্যমন্ত্ৰীয়ে তেওঁৰ ভাষণত ড০ ভূপেন হাজৰিকাৰ গীতসমূহ যথাৰ্থতে সমাজৰ নিপীড়িতসকলৰ আশা-আকাংশা আৰু সাধাৰণৰ মানুহৰ সপোনৰ বাহক আছিল বুলি উল্লেখ কৰে। মানৱীয় প্ৰমূল্যৰে মহা অনুষ্ঠান সদৃশ ব্যক্তিত্বৰে ভূপেন হাজৰিকাই তেখেতৰ কৰ্মৰাজীৰ জৰিয়তে অসম ভূমিক বিশ্বৰ বুকুলৈ কঢ়িয়াই নিয়াৰ উপৰি নতুন পৰিচয়ো গঢ়ি তুলিছিল বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে অহা ১৩ অক্টোবৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত ৰাজ্যবাসীয়ে পুনৰ সুধাকণ্ঠলৈ শ্ৰদ্ধা নিবেদন কৰিব বুলি উল্লেখ কৰে। এই অনুষ্ঠানতে শ্ৰীমোদীয়ে শিল্পীগৰাকীৰ স্মৃতিত শ্ৰদ্ধা জনাই ভাৰতীয় ৰিজাৰ্ভ বেংকে প্ৰস্তুত কৰা এটা বিশেষ মুদ্ৰা উন্মোচন কৰিব বুলি জানিবলৈ দিয়ে। তদুপৰি বৰেণ্য শিল্পীগৰাকীৰ জীৱন সম্বলিত এখন গ্ৰন্থও প্ৰধানমন্ত্ৰীয়ে উন্মোচন কৰিব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। ড০ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ সৈতে সংগতি ৰাখি অৰুণাচল প্ৰদেশ, মেঘালয়, মুম্বাই আৰু নতুন দিল্লীত ৰাজ্য চৰকাৰে অনুষ্ঠানৰ আয়োজন কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

অসম সাহিত্য সভাই শিল্পীগৰাকীৰ জন্মদিন উপলক্ষে স্বীকৃতিপ্ৰাপ্ত ৩৩খন জিলা সাহিত্য সভা আৰু এহেজাৰখন শাখা সাহিত্য সভাৰ জৰিয়তে আজিৰেপৰা ভিন ভিন কাৰ্যসূচীৰ আয়োজন কৰিছে। ইয়াৰ উপৰি দেশে-বিদেশে থকা শাখা সাহিত্য সভাসমূহৰ উদ্যোগতো কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে।

গুৱাহাটী মহানগৰীতো শিল্পীগৰাকীৰ জন্মদিনৰ সৈতে সংগতি ৰাখি কালিৰেপৰা বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। সদৌ অসম ছাত্ৰ সন্থাই সুধাকণ্ঠৰ জন্ম শতবাৰ্ষিকী উপলক্ষে বছৰজুৰি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰিছে। এই উপলক্ষে গুৱাহাটী মহানগৰীৰ দীঘলীপুখুৰীৰ পাৰত আজি শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। সংগঠনটোৱে আজি সন্ধিয়া দীঘলীপুখুৰী পাৰত উদ্দীপনা শীৰ্ষক অনুষ্ঠানৰ আয়োজন কৰিছে। এই উপলক্ষে এশ গছি বন্তি প্ৰজ্বলনৰ পাছত সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব।

তেজপুৰত আজি **মানুহে মানুহৰ বাবে** শীৰ্ষক গীতেৰে **মানৱ শৃংখল আৰু শতাব্দীৰ সুবাস** শীৰ্ষক সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হয়।

বৰপেটাত আজি কিংবদন্তি শিল্পীগৰাকীৰ জন্ম শতবাৰ্ষিকী উপলক্ষে বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰা হয়। বৰপেটা জিলা সাহিত্য সভা আৰু ফিল্ম ছ'চাইটীৰ উদ্যোগত আজি অনুষ্ঠান উদযাপন কৰা হয়। এই উপলক্ষে

বিশিষ্ট সাহিত্যিক অক্ষয় কুমাৰ মিশ্ৰই ৰচনা কৰা **বিহঙ্গম দৃষ্টিত ড০ ভূপেন হাজৰিকা** শীৰ্ষক গ্ৰন্থখন উন্মোচন কৰা হয়।

বজালী জিলাতো আজি সুধাকণ্ঠৰ জন্ম শতবাৰ্ষিকী উপলক্ষে অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত শিল্পীগৰাকীৰ জীৱনৰ ওপৰত আলোকপাত কৰাৰ লগতে তেওঁৰ সৃষ্টিৰাজীৰ বিশ্লেষণ কৰা হয়।

গোৱালপাৰা জিলাত আজি সুধাকণ্ঠৰ জন্ম শতবাৰ্ষিকীৰ আৰম্ভণি উপলক্ষে ৫ হাজাৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীয়ে শিল্পীগৰাকীৰ কালজয়ী গীত **মানুহে মানুহৰ বাবে** পৰিৱেশন কৰে।

মৰিগাঁও আৰু কামৰূপ জিলাতো আজি শিল্পীগৰাকী জন্ম শতবৰ্ষৰ আৰম্ভণি উপলক্ষে বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰা হয়।

মঙলদৈত আজি শিল্পীগৰাকীৰ জন্ম দিন উপলক্ষে চাৰি শতাধিক নবীন-প্ৰবীণ আবৃত্তিকাৰে **মৃত্যু জিনাৰ গান** কবিতাটি আবৃত্তি কৰিব।  গোৱালপাৰা মহাবিদ্যালয়ত আজি ডেৰ শতাধিক আবৃত্তিকাৰে 'মৃত্যু জিনাৰ গান' কবিতাটি পৰিবেশন কৰিব। কামৰূপ জিলাত এই উপলক্ষে মানৱ শৃংখল আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

০০০০০০০

বিটিআৰৰ ৪০টা সমষ্টিত অহা ২২ ছেপ্তেম্বৰত হ'বলগীয়া বিটিচিৰ নিৰ্বাচনৰ বাবে জিলা কেইখনৰ প্ৰশাসনে ব্যাপক প্ৰস্তুতি চলাইছে। ৰাজনৈতিক দলসমূহেও দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। তামুলপুৰ জিলা প্ৰশাসনে নিৰ্বাচনৰ দায়িত্বত নিয়োজিত বিষয়া-কৰ্মচাৰীসকলৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰিছে। আজি জিলাখনৰ বৰনগৰস্থিত তামুলপুৰ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলত প্ৰিজাইডিং আৰু প'লিং বিষয়াসকলৰ প্ৰশিক্ষণ অনুষ্ঠিত হয়। এই প্ৰশিক্ষণত জিলা আয়ুক্তই প্ৰশিক্ষাৰ্থীসকলক নিকা আৰু শান্তিপূৰ্ণ নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে প্ৰচেষ্টা গ্ৰহণ কৰিবলৈ আহ্বান জনায়।

বাক্সা জিলাত আজি বিটিআৰৰ মুৰব্বী প্ৰমোদ বড়োৱে প্ৰচাৰ চলায়। তেওঁ শালবাৰী পৰিষদীয় সমষ্টিৰ প্ৰাৰ্থীগৰাকীৰ সমৰ্থনত প্ৰচাৰ অভিযানত অংশ লয়। ওদালগুৰি জিলাৰ খালিংগৰ সমষ্টিত আজি বিজেপিৰ প্ৰাৰ্থী অৰ্জুন দৈমাৰীয়ে নিৰ্বাচনী প্ৰচাৰ চলায়।

০০০০০০০

**সমাপ্ত**